# অসম বিধান সভা
# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## শুক্ৰবাৰ, ২১ মাৰ্চ, ২০২৫

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন, পাৰ্বত্য এলেকা উন্নয়ন, পৰিবহণ, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথ্য সংস্কৃতি, প্ৰত্নতত্ত্ব সঞ্চালকালয় আৰু পুথিভঁৰাল আৰু সংগ্ৰহালয় সঞ্চালকালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, ভূমি সংৰক্ষণ, বড়োলেণ্ড কল্যাণ।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয় ঃ* প্ৰাকৃতিক দুৰ্যোগ আৰু ক্ষয়-ক্ষতি

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪৭৭। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা এতিয়ালৈকে বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগত অসমত কিমান লোকৰ মৃত্যু হ'ল? জিলাভিত্তিক আৰু বৰ্ষভিত্তিক তথ্য দাখিল কৰিব।

(খ) ২০১৬ চনৰ পৰা এতিয়ালৈকে গৰাখহনীয়াত অসমৰ কোন জিলাত কিমান কৃষি ভূমি জাহ গৈছে আৰু বানত কিমান কৃষিভূমি নষ্ট হৈছে? বিতং তথ্য দাখিল কৰিব।

(গ) বান আৰু খহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোকক কি কি সাহাৰ্য্য বা ক্ষতিপূৰণ দিয়াৰ নিয়ম আছে? ২০১৬ চনৰ পৰা এতিয়ালৈকে কোন জিলাত কিমান লোকক সাহাৰ্য্য বা ক্ষতিপূৰণ আগবঢ়োৱা হ'ল? সম্পূৰ্ণ বিৱৰণ (বান আৰু গৰাখহনীয়াৰ তথ্য পৃথকে) দাখিল কৰিব।

(ঘ) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসমৰ বিভিন্ন জিলাত বানত হোৱা ক্ষয়-ক্ষতিৰ বৰ্ষভিত্তিক বিতং তথ্য দাখিল কৰিব। এই সমস্যাটোৰ বাবে ২০১৬ চনৰ পৰা এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে কিমান টকা বিচাৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে অসমক কিমান টকা দিছে? বিতং তথ্য দাখিল কৰিব।

*Sub.* : **Unavailability of Specialist Doctors at JSB Civil Hospital, Kajalgaon, Chirang.**

Shri NIRMAL KUMAR BRAHMA :

478. Will the Minister of Health & Family Welfare Department be pleased to state:

When the vacancy of Specialised Doctors will be filled at JSB Civil Hospital Kajalgaon ?

*বিষয় ঃ* **মাটি বেচা-কিনা অনুমতিৰ সম্পৰ্কে**

শ্ৰীনিজানুৰ ৰহমান ঃ

৪৭৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাটি বেচা-কিনাৰ প্ৰমাণ পত্ৰৰ বাবে ক্ৰেতা আৰু বিক্ৰেতাই আবেদন কৰাৰ কিমান দিনৰ ভিতৰত অনুমতি লাভ কৰাৰ নিয়ম আছে? এই ক্ষেত্ৰত কিবা নিয়মাৱলী আছে নেকি? (যদি আছে, নিয়মাৱলীৰ কপি সদনত দাখিল কৰিব)।

(খ) মাটি বেচা-কিনাৰ অনুমতিৰ ক্ষেত্ৰত জাতি বা ধৰ্ম বিশেষে কোনো ধৰণৰ বাধা বা নিষেধ আছে নেকি? যদি আছে কেনে ধৰণৰ? (বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব)।

*বিষয় ঃ* **প্ৰতিষ্ঠান বা ব্যক্তিৰ নামৰ চৰকাৰী মাটি আবণ্টন।**

শ্ৰীনজৰুল হক ঃ

৪৮০। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে ধুবুৰী জিলাৰ অন্তৰ্গত ৰাজহ চক্ৰসমূহৰ অধীনত কিমান বিঘা চৰকাৰী মাটি কোন কোন প্ৰতিষ্ঠান বা ব্যক্তিৰ নামত আবণ্টন বা পট্টা দিয়া হৈছে? (ৰাজহ চক্ৰ অনুযায়ী বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)।

(খ) ধুবুৰী জিলাত বৰ্তমান ৰাজহ চক্ৰসমূহৰ অন্তৰ্গত কিমানখন ৰাজহ গাঁৱত কিমান বিঘা চৰকাৰী মাটি আছে? (ৰাজহ চক্ৰ অনুযায়ী তথ্য সদনৰ মেজত দাখিল কৰিব)।

*বিষয় ঃ* **২০২০ চনৰ বি টি আৰ চুক্তিৰ ৰূপায়ণ**

শ্ৰীঅখিল গগৈ ঃ

৪৮১। মাননীয় বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৭ জানুৱাৰী, ২০২০ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ সৈতে অসম চৰকাৰৰ উপস্থিতিত বি টি এ ডিৰ সংগঠনসমূহৰ সৈতে স্বাক্ষৰিত বুজাবুজিৰ চুক্তি (Memorandum of Settlement)ৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে বি টি চি এলেকাৰ বাবে কৰিবলগীয়া কামসমূহৰ প্ৰতিশ্ৰুতিৰ এখন তালিকা প্ৰদান কৰিব।

(খ) বি টি এ ডিৰ সীমাৰ সালসলনি সম্পৰ্কীয় কি কি দফা কাৰ্য্যকৰী কৰা হ'ল, কিমান অংশ কাৰ্যকৰী হ'ল আৰু কি কি কৰিবলগীয়া বাকী আছে? তালিকা প্ৰদান কৰিব। বি টি এ ডিত নতুনকৈ গাঁও অন্তৰ্ভুক্তি আৰু বি টি এ ডিৰ পৰা গাওঁ কৰ্তনৰ অগ্ৰগতি, ৰাজ্য-কেন্দ্ৰ-আন্দোলনকাৰীৰ মাজৰ আলোচনাৰ সাৰাংশ (Minutes) অৱগত কৰিব।

(গ) চুক্তিৰ ৪ নং দফা, ৬ নং দফা, ৭ নং দফা, ৯ নং দফা, ১০.২ নং দফাৰ কাৰ্যকৰীকৰণৰ অগ্ৰগতিৰ বিস্তৃত তালিকা দিব। চুক্তি অনুসৰি কিমান যুৱকে চাকৰি পালে আৰু কিমানে ভুমিস্বত্ব পালে? তথ্য দিব।

(ঘ) ভাৰত চৰকাৰ আৰু অসম চৰকাৰে চুক্তি অনুসৰি কৰিবলগীয়া কামসমূহৰ অথবা স্থাপন কৰিবলগীয়া প্ৰতিষ্ঠানসমূহৰ নাম উল্লেখ কৰি কোন কোন প্ৰতিষ্ঠানৰ নিৰ্মাণৰ কাম কিমান অগ্ৰগতি হৈছে বিস্তৃত তথ্য দিব।

*বিষয় ঃ* পানী যোগান আঁচনি

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৪৮২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগৰ উদ্যোগত লাহৰীঘাট সমষ্টিত কিমান কৃষি ভূমিত পানী যোগান ধৰি থকা হৈছে?

(খ) বৰ্তমান লাহৰীঘাট সমষ্টিত কিমানখন জলসিঞ্চন বিভাগৰ আঁচনি আছে আৰু কিমানখন আঁচনি কাৰ্য্যক্ষম হৈ থকা নাই?

(গ) লাহৰীঘাট সমষ্টিত নতুনকৈ জলসিঞ্চন বিভাগৰ আঁচনি ৰূপায়ণৰ পদক্ষেপ লোৱা হৈছে নে?

*Sub.* : **Report on Schemes**

Shri MIHIR KANTI SHOME :

483. Will the Minister of Soil Conservation Department be pleased to state :

(a) What Schemes were taken in last 4 years in Udharbond constituency ?

(b) What new Schemes will be taken in next financial year ?

*বিষয় ঃ* **বুনিয়াদি স্বাস্থ্য সেৱা (BSK)**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৪৮৪। মাননীয় স্বাস্থ্য এবং পরিবার কল্যাণ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি ঃ

(ক) আমার আলগাপুর বিধান সভা সমষ্টিতে বাটিরকুফা গ্রামের অধীনে যে বুনিয়াদি স্বাস্থ্যসেৱা কেন্দ্রের (BSK) জমি নেওয়া হয়েছিল সেই ব্যাপারে সরকার অবগত আছে কি? যদি থাকে, উহার বিস্তারিত বিবরণ দিবেন।

(খ) এই বুনিয়াদি স্বাস্থ্যসেৱা কেন্দ্র (BSK) কোন অর্থ মঞ্জুর হয়েছে কি? যদি থাকে, উহার বিস্তারিত বিবরণ দিবেন।

(গ) বর্তমানে এই বুনিয়াদি স্বাস্থ্যসেৱা কেন্দ্র কি পর্যয়ে আছে? উহার বিস্তারিত বিবৰণ দিবেন।

*Sub.* : **Medical Colleges & Hospital**

Shri DEBABRATA SAIKIA :

485. Will the Minister of Health & Family Welfate Department be pleased to state:

(a) What are the Departments available in the Government Medical Colleges & Hospital in Assam ? Please provide details in following format.

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| Sl. No. | Name of Medical Colleges | Name of Department | No. of doctors with designation |
| 1 | | | |

| 5 | 6 | 7 |
|---|---|---|
| Depts. & Specialities not available in the medical colleges | No. of Grade -III and Grade-IV staff | Any other information |
| | | |

(b) Will the State Government take steps to make other Medical Colleges & Hospital of Assam at Jorhat, Dibrugarh, Tezpur, Barpeta, etc.

as Gauhati Medical College & Hospital in terms of facilities and treatment ?

(c) Will the State Government take steps to set up new Departments in Medical Colleges & Hospital in next 2 (two) years ? If yes, Please furnish details in following format :

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| Sl. No. | Name of Medical Colleges & Hospital | Department to set-up | Any other information. |
| 1 | | | |

(d) Please furnish the reports in details about study on incidents related to cancer diseases in Assam.

*বিষয় ঃ* **অগ্নিকাণ্ডৰ ক্ষতিপূৰণ**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৪৮৬। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কি কি দুৰ্ঘটনাত ভুক্তভোগীসকলক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে? কি কি দুৰ্ঘটনাত আহত/নিহত লোক আৰু সা-সম্পত্তিৰ ক্ষতিপূৰণ কিমান দিব লাগে? কি প্ৰক্ৰিয়াত ক্ষতিপূৰণ লাভ কৰাৰ ব্যৱস্থা আছে? বিতং নিয়মাৱলী জনাব।

(খ) অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা বাসগৃহৰ বাবদ ক্ষতিপূৰণ দিয়া হয়নে? যদি দিয়া হয়, কি প্ৰক্ৰিয়াৰে হিতাধিকাৰীয়ে ক্ষতিপূৰণ লাভ কৰিব পাৰে?

(গ) যোৱা ৩ টা বছৰত নগাওঁ জিলাৰ কোন কোন থানা এলেকাত কিমান পৰিয়ালৰ বাসগৃহ অগ্নিকাণ্ডত জাহ যায়? তাৰ ভিতৰত কিমানজনে কি হাৰত ক্ষতিপূৰণ পাইছিল?

*Sub.* : **Scheme under Indigenous and Tribal Faith and Culture for Mariani People.**

Shri RUPJYOTI KURMI :

487. Will the Minister of Indigenous and Tribal Faith and Culture Department be pleased to state:

(a) Has the State Government taken any schemes under the Indigenous and Tribal Faith and Culture Department for the people of Mariani ?

(b) If yes, Please furnish details of the Scheme.

(c) Is the Government aware that Mariani LAC has a vast Indigenous People ?

(d) If yes, will the Government take any new policy for their upgradation ?

(e) If yes, by when ?

*Sub.* : **Dakshin Titapani GPSS Ltd.**

Shri SHERMAN ALI AHMED :

488. Will the Minister of Co-operation Department etc. be pleased to state:

(a) Is it true that Sub-whole sale license of Dakshin Titapani GPSS Ltd. is suspended w.e.f. July, 2023 and the entire population is tagged with Moinbari GPSS Ltd. ?

(b) Is it true that the then Secretary of the GPSS Abdus Sabur Ahmed had misappropriated a large quanitity of NFSA rice ? If yes, what action has taken against him ?

(c) Is it ture that the Directors of the said GPSS has given a requisition

under section 43 (2) of the Assam Co-operative Societies Act, 2007 (as amended up to date) for holding a Special BOD Meeting ?

(d) If yes, what action is taken for the said special BOD Meeting ? Please furnish details.

*বিষয় ঃ* **শিশু চিকিৎসকৰ ব্যৱস্থা সম্পৰ্কে**

শ্ৰীভাস্কৰ শৰ্মা ঃ

৪৮৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ অন্তৰ্গত মাৰ্ঘেৰিটাস্থিত একমাত্ৰ এফ. আৰ. ইউ. খনত বিগত কেইবা বছৰ ধৰি শিশু চিকিৎসক নথকাৰ ফলত শিশুসকলৰ চিকিৎসাৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা হেতুকে এফ. আৰ. ইউ. খনত শিশু চিকিৎসকৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে কেতিয়ালৈ এফ. আৰ. ইউ. খনত শিশু চিকিৎসা কৰা ব্যৱস্থা কৰিব?

(গ) যদি কৰা নাই, ভৱিষ্যতৰ দিনত শিশু চিকিৎসকৰ ব্যৱস্থা কৰিবলৈ পৰিকল্পনা গ্ৰহণ কৰিব নেকি?

*Sub.* : **STW, Flow irrigation and DTW in Goalpara district.**

Shri ABDUR RASHID MANDAL:

490. Will the Minister of Irrigation Deptt. be pleased to state :

(a) Please furnish year wise and constituency wise list of beneficiary/ points where solar power driven separately sanctioned and STWs installed in Golapara district during the tenure of present Govt. with estimated cost per STW, name of brand of pump sets, name and address of contractors.

(b) Is it true that the contractors for installation of STWs are engaging middlemen/ sub- contractors for execution of the works in Goalpara district ? If yes, please furnish copies of NIT and relevant circulars to allow such middlemen/ sub-contractors ? If not, will Govt. order for thorugh enquiry into it ?

(c) What works are sanctioned / executed for flow irrigation schemes and Deep Tubewell in Goalpara district during the tenure of present Govt.? Please furnish year wise and constituency wise details of works with estimated costs, name & address of contractors, progress of works, amount paid to contractor and present status of the scheme

*বিষয় ঃ* **HMVP আক্ৰান্ত ৰোগীর সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ

৪৯১। মাননীয় স্বাস্থ্য এবং পরিবার কল্যান বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্রহ করিয়া জানাইবেন কি ঃ

(ক)আসামে HMVP রোগীর সংখ্যা কত? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) HMVP আক্রান্তরোগ সংক্রমিত না হওয়ার জন্য সরকার কী পদক্ষেপ নিয়াছেন? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(গ) শ্রীভূমী জেলার অসামরিক হাসপাতালে Dialysis ও ICU সম্পর্কিত বেড সংখ্যা পরিমিত নহে, তাহা বর্ধিত করার সরকারের কোনো ইচ্ছা আছে কী ? যদি থাকে, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ ননকে গাঁৱৰ* **Cadastral Survey সম্পৰ্কে।**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৪৯২। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত কিমানখন Non-Cadastral Village আছে? যোৱা ২০১৮ চনৰ পৰা Non-Cadastral Village ত থকা ম্যাদী পাট্টাৰ মাটি বিলাকৰ বেচা-কিনা বন্ধ হৈ আছে। এই গাঁও বিলাকত Cadastral Survey বিলাক কেতিয়া সমাপ্ত হ'ব, লগতে মাটি বেচা-কিনাৰ পৰ্য্যায় কেতিয়াৰ পৰা আৰম্ভ হ'ব?

*বিষয় ঃ* **কৰ্মচাৰীৰ নিযুক্তি**

শ্ৰীভবেন্দ্ৰ নাথ ভড়ালী ঃ

৪৯৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৮ চনৰ পৰা ২০১২ চনলৈকে পৰ্য্যায়ক্ৰমে নিযুক্তি দিয়া যোৰহাট জিলা যুটিয়া স্বাস্থ্য সঞ্চালকক আৰু অসমৰ বিভিন্ন জিলাৰ কাৰ্য্যালয়ত নিযুক্ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলক ২০১৪ চনত চাকৰিৰ পৰা অব্যাহতি দিয়ে, অব্যাহতি দিয়া কাৰণ জনাব।

(খ) এই কৰ্মচাৰীসকল ইয়াৰ পাছত মহামাণ্য আদালতৰ দ্বাৰস্থ হয় আৰু মহামাণ্য আদালতে তেওঁলোকৰ সপক্ষে ৰায়দান কৰে। বৰ্তমানো তেওঁলোক কৰ্মহীন হৈ আছে, ইয়াৰ কাৰণ কি জনাব।

(গ) এইসকল কৰ্মচাৰীক পুনৰ মকৰলৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **জলবায়ু পৰিবৰ্তন**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

৪৯৪। মাননীয় প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলবায়ু পৰিবৰ্তন সম্পৰ্কীয় State Action Plan for Climate Change (২০২০-২০২৩) ২০২৪ ৰ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰে অনুমোদন পোৱা বুলি জানিব পৰা গৈছে। এই দহবছৰীয়া কৰ্ম আঁচনিখনৰ চাৰি বছৰ অনুমোদনৰ পাছত পলম হোৱাৰ কাৰণ অনুগ্ৰহ কৰি জনাব।

(খ) বতৰ পৰিৱৰ্তনৰ ফলত বিভিন্ন দুৰ্য্যোগ যেনে অতিবৃষ্টি, অনাবৃষ্টি, গ্ৰীষ্ম প্ৰৱাহ, নদীৰ খহনীয়া আদিয়ে কৃষি, স্বাস্থ্য, পৰিবেশ, জলসম্পদ আদি ক্ষেত্ৰত ব্যাপকভাৱে ক্ষতিসাধন কৰিছে। এই ক্ষতিগ্ৰস্ত লোকসকলক কেনেদৰে সাহাৰ্য্য প্ৰদান কৰা হৈছে? বিতং জনাব।

(গ) এই গুৰুত্বপূৰ্ণ ৰাজ্যিক কৰ্ম আঁচনি (SAPCC) খন জিলা পৰ্যায়ত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কিমান বিভাগক জড়িত কৰা হৈছে? সেই বিভাগবোৰৰ নামৰ তালিকা দিব।

(ঘ) ৰাজ্যিক কৰ্ম আঁচনিখন কাৰ্য্যকৰণ কৰাৰ বাবে ৰাজ্যৰ কোন বিভাগক Nodal Department হিচাপে দায়িত্ব দিয়া হৈছে? জনাব।

*বিষয় ঃ* **এপেক্স বেংকৰ মৰগীয়া বানচ সম্পৰ্কে।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

৪৯৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৮ চনৰ অসম এপেক্স বেংকৰ কৰ্মচাৰী দৰমহা সংশোধনী চুক্তি অনুযায়ী বেংক কৰ্তৃপক্ষই অসম চৰকাৰৰ হাৰ অনুযায়ী মৰগীয়া বানচ দিয়া হৈছে নে? যদি দিয়া হোৱা নাই, তেনেহ'লে নিদিয়াৰ কাৰণ কি?

(খ) সীতা জখলা সমবায় সমিতিয়ে কোন চনত কিমান টকাৰ লোন লৈছিল জনাবনে? এতিয়ালৈকে কিমান লোনৰ টকা পৰিশোধ কৰিলে আৰু সুত সহ কিমান টকা পৰিশোধ কৰিবলৈ বাকী আছে?

(গ) এপেক্স বেংকৰ দিছপুৰ শাখাত কিমান টকাৰ এটা কেলেংকাৰী সংঘটিত হৈছিল? বৰ্তমান ই কি অৱস্থাত আছে? এই ক্ষেত্ৰত বেংক কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) অসম এপেক্স বেংকত অনুকম্পা মূলক নিযুক্তি দিয়া কৰ্মচাৰী সকলক নিয়মীয়াকৰণ কৰা হ'ল নে? যদি হোৱা নাই, তেনেহ'লে কি ভিত্তিত নিযুক্তি দিয়া হৈছিল?

*বিষয় ঃ* **তাৰকাগৃহ, বিজ্ঞান কেন্দ্ৰ আৰু বিজ্ঞান সংগ্ৰহালয় স্থাপন।**

ড° অমিয় কুমাৰ ভূঞা ঃ

৪৯৬। মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজ্ঞান শিক্ষা প্ৰসাৰ, প্ৰচাৰ আৰু উন্নয়নৰ বাবে কি কি অনুষ্ঠান স্থাপন আৰু উন্নয়ন কৰা হৈছে? জনাব।

(খ) সমষ্টি ভিত্তিক বিজ্ঞান-প্ৰযুক্তি অনুষ্ঠান প্ৰতিষ্ঠান স্থাপন কৰা আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেতিয়াৰ পৰা ৰূপায়ণ কৰিব? জনাব।

(গ) ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে তাৰকাগৃহ, বিজ্ঞান কেন্দ্ৰ আৰু বিজ্ঞান সংগ্ৰহালয় স্থাপনৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি? যদি পাৰি, তেনেধৰণৰ প্ৰতিষ্ঠান সমূহ বিহপুৰীয়া সমষ্টিত কৰিব নে?

*বিষয়ঃ* **বুনিয়াদি স্বাস্থ্য কেন্দ্ৰ**

শ্ৰীজাকিৰ হুসেন লস্কৰ ঃ

৪৯৭। মাননীয় স্বাস্থ্য ও পরিবার কল্যাণ বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনঃ

(ক) হাইলাকান্দি সমষ্টির নিতাইনগর বুনিয়াদি স্বাস্থ্য কেন্দ্র নির্মাণের জন্য টেণ্ডার আহ্বান করাৰ পর তাহা বাতিল করা হয়েছিল। কিন্তু পরবর্তিতে আজ অবধি টেণ্ডার আহ্বান করার কারণ কি?

(খ) মানছড়া বুনিয়াদি স্বাস্থ্য কেন্দ্র, বন্দুকমারা আর এ বুনিয়াদি স্বাস্থ্য কেন্দ্র নির্মাণের জন্য প্রস্তাব পেরণ করা হয়েছিল। এই বুনিয়াদি স্বাস্থ্য কেন্দ্রগুলো নির্মাণের বিষয়ে সরকার বর্তমানে কি ব্যৱস্থা হাতে নিয়েছে?

*বিষয় ঃ* **বিজ্ঞানসন্মত পদ্ধতিত জলসিঞ্চনৰ ব্যৱস্থা।**

শ্ৰীশিবু মিশ্ৰ ঃ

৪৯৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৬৪নং লামডিং সমষ্টিৰ অন্তৰ্গত টেৰালাংসু ডিমৰু টঙিয়া গাঁও পঞ্চায়তত আৰু দক্ষিণপাৰ থাইস্কুপাৰ গাঁও পঞ্চায়তত ক্ৰমে ৩৩২বিঘা আৰু ৪৬৫বিঘা মাটিত বৃহৎ দুখন জলাশয় থকা স্বত্বেও দুখীয়া কৃষকসকলে পানীৰ অভাৱত প্ৰতি বছৰত খেতি কৰাত ব্যৰ্থ হোৱাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে উক্ত জলাশয় দুখন হাজাৰতকৈ অধিক কৃষকৰ আৰ্থিক দিশৰ উন্নতিৰ কথা চিন্তা কৰি আৰু সম্ভাব্য বেদখলৰ পৰা মুক্ত ৰাখিবলৈ এক ব্যাপক বিজ্ঞানসন্মত পদ্ধতিৰে জলসিঞ্চনৰ কাম হাতত ল'ব নে?

(গ) যদি লয়, তেন্তে কেতিয়া কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব জনাব।

*বিষয় ঃ* **গৰাখহনীয়া লোকৰ পুনঃ সংস্থাপন**

শ্ৰীমতী নন্দিতা দাস ঃ

৪৯৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত চাৰিটা বছৰ ধৰি অসমৰ বিভিন্ন প্ৰান্তত মথাউৰিত চৰকাৰী ভূমিত গৰাখহনীয়াত আক্ৰান্ত কিমানটা পৰিয়াল বসবাস কৰি আছে?

(খ) ইয়াৰে জনজাতীয় লোক কিমান আৰু অজনজাতীয় লোক কিমান?

(গ) এই লোকসকলক বসুন্ধৰা আঁচনিৰ অধীনত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি হৈছে, কি কি সম্প্ৰদায়ৰ লোকৰ কিমানটা পৰিয়ালক সংস্থাপন দিয়া হৈছে?

(ঘ) কামৰূপ জিলাৰ বৰ্তমানৰ ছমৰীয়া সমষ্টিৰ গৰাখহনীয়া আক্ৰান্ত কিমানটা পৰিয়াল বসুন্ধৰা আঁচনিৰ জৰিয়তে সংস্থাপন দিয়া হৈছে বিতংকৈ জনাব।

*বিষয় ঃ* **ভূএগ্ৰাখাত গভীৰ নলীনাদ জলসিঞ্চন আঁচনি সম্পৰ্কে।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

৫০০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বৰুৱাছালি মৌজাৰ অন্তৰ্গত সোণাৰি উপ-সংমণ্ডলৰ অধীনত প্ৰায় ৩কোটি ৬০ লক্ষাধিক টকা ব্যয় সাপেক্ষে ১০টা গভীৰ নলীনাদ, ১০টা ট্ৰেন্সফৰ্মাৰ সংযোগেৰে ভূএগ্ৰাখাত এলেকাৰ ৫খন গাঁৱৰ প্ৰায় ২০০০(দুই হাজাৰ) বিঘা কৃষি ভূমি সাঙুৰি ভূএগ্ৰাখাত গভীৰ নলীনাদ জলসিঞ্চন আঁচনিৰ জৰিয়তে জলসিঞ্চনৰ লক্ষ্য বান্ধি লৈছিল। কিন্তু ২০১৫ চনতে নিৰ্মাণ আৰম্ভ কৰা আঁচনিখন আজিও কাৰ্য্যক্ষম নহ'ল। এই বিষয়ে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **Sivasagar Civil Hospital সম্পৰ্কে।**

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ

৫০১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Sivasagar Civil Hospital খনত বৰ্তমান কিমানজন ডাক্তৰ, কিমান গৰাকী নাৰ্চ আৰু B.Sc নাৰ্চ আছে? সদনত অৱগত কৰিব।

(খ) চাফাই কৰ্মচাৰী স্থায়ী আৰু অস্থায়ী কিমানজন আছে? সদনত অৱগত কৰিব।

(গ) Specialist ডাক্তৰ কিমানজন থাকিব লাগে আৰু বৰ্তমান কিমানজন আছে? Medicine আৰু E.N.T. ডাক্তৰ আছেনে? সদনত অৱগত কৰিব।

(ঘ) অসুখীয়া সকলক সকলো দৰবৰ যোদান ধৰিব পৰা হৈছেনে? দৰব পৰ্যাপ্ত পৰিমাণৰ মজুত থাকেনে?

(ঙ) সৰু-সুৰা অসুখতো A.M.C. আৰু G.M.C. লৈ অসুখীয়া সকলক পঠাই দিয়া হয় নেকি?

(চ) Orthopedic ৰ মাত্ৰ এজন ডাক্তৰ থকাত Hospital খনত বহুত অসুবিধা হোৱাৰ কথা চৰকাৰ অৱগত নে?

(ছ) Hospital খনৰ সীমাত পকী দেৱাল দিয়াৰ ব্যৱস্থা কৰা হৈছে নে, অন্যহাতে নিৰাপত্তা ব্যৱস্থাৰ কাৰণে কিমান চকীদাৰ নিয়োজিত কৰা হৈছে? সদনত অৱগত কৰিব।

*বিষয় ঃ* **ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কৰ্মচাৰীৰ দৰমহা।**

শ্ৰীদিগন্ত বৰ্মন ঃ

৫০২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনতে আৰম্ভ হোৱা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM)ৰ অধীনত অসমত বৰ্তমান কিমান কৰ্মচাৰী আৰু বিষয়াই কাম কৰি আছে?

(খ) উক্ত কৰ্মচাৰীসকলৰ বেতন আৰু অন্যান্য সা-সুবিধা বৃদ্ধিৰ ব্যৱস্থা স্বাস্থ্য বিভাগে গ্ৰহণ কৰিব নেকি?

(গ) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত অসমত কৰ্মৰত ঠিকা ভিত্তিক কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়া নোহোৱা পৰ্য্যন্ত সপ্তম দৰমহা আয়োগৰ দ্বাৰা নিৰ্ধাৰিত হাৰত ৰাজ্যৰ স্বাস্থ্য বিভাগৰ স্থায়ী কৰ্মচাৰীসকলৰ সমহাৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **চিকিৎসক নিযুক্তি সন্দৰ্ভত**

শ্ৰীসঞ্জয় কিষান ঃ

৫০৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত শিশু আৰু মেডিচিনৰ বিশেষজ্ঞ এজনো নাই। এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, উক্ত চিকিৎসালয়ত বিশেষজ্ঞ কেতিয়া নিযুক্তি দিব?

(খ) মহখুলী মডেল হস্পিটেলৰ উপ-অধীক্ষকজনক ক'ত সংলগ্ন কৰি ৰাখিছে? তাত স্থায়ী চিকিৎসকৰ পদ কেইটা আছে আৰু বৰ্তমান কিমানজন চিকিৎসক আছে জনাব।

(গ) তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত কেতিয়াৰ পৰা ৰোগী ভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব আৰু কেতিয়াৰ পৰা জ্যেষ্ঠ চিকিৎসকে ৰোগীক চিকিৎসা প্ৰদান কৰিব জনাব।

*বিষয় ঃ* **Hospital সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৫০৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলেশ্বৰ সমষ্টিটোত জনগাঁথনি অনুপাতে উন্নত মানৰ চিকিৎসা সেৱা প্ৰদান কৰিবলৈ এখন উন্নত মানৰ চিকিৎসালয়ৰ প্ৰয়োজন। এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত এখন চিকিৎসালয় দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে? যদি লৈছে, কেতিয়া দিব?

*বিষয় ঃ* **গোলকগঞ্জ সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ আঁচনি।**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৫০৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ উপ-সংমণ্ডল কাৰ্য্যালয় আছে নেকি? বিতং তথ্য জনাব।

(খ) গোলকগঞ্জ সমষ্টি এলকাত ভূমি সংৰক্ষণ বিভাগে ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত কোন কোন শিতানত কি কি আঁচনি মঞ্জুৰ কৰিছে?

(গ) গোলকগঞ্জ সমষ্টিত বহুতো অঞ্চল গংগাধৰ, গদাধৰ, ৰায়চাক নদীয়ে প্ৰতি বছৰে ভূক্ষয় (Soil erosion) কৰা সম্পৰ্কে বিভাগ অৱগত নে? ভূমি সংৰক্ষণ বিভাগে এই ভূক্ষয় (Soil erosion) ৰোধ কৰাৰ বাবে কোনো আঁচনি গ্ৰহণ কৰিব নে?

*বিষয় ঃ* **নগৰ অঞ্চলত মাটি আবণ্টন**

শ্ৰীতেৰছ গোৱালা ঃ

৫০৬। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৌৰনিগম, পৌৰসভা, টাউন সমিতি, উদ্যোগী অঞ্চলত যুগ যুগ ধৰি ভোগদখল কৰি খাই থকা ভূমিহীন খিলঞ্জীয়া লোকসকলে বসুন্ধৰাৰ জৰিয়তে কি কি চৰ্ত/নীতিৰ আধাৰত আবেদন কৰিব পাৰিব? সবিশেষ জনাব।

(খ) চহৰ বা নগৰ অঞ্চলত থকা এগৰাকী ভূমিহীন খিলঞ্জীয়া লোকে কিমান পৰিমাণৰ ভূমি আবণ্টন পাব? তাৰ বিনিময়ত কিমান পৰিমাণৰ প্ৰিমিয়াম আৰু কেনেদৰে দিব? সবিশেষ জনাব।

(গ) উক্ত অঞ্চলত এন.জি.অ, ক্লাব, সামাজিক সংস্থাৰ নামত কি কি চৰ্তৰ আধাৰত কাৰ্য্যালয়, প্ৰেক্ষাগৃহ, সাংস্কৃতিক কেন্দ্ৰ আদিৰ বাবে ভূমি আবণ্টন পাব? সবিশেষ জনাব।

(ঘ) দুলীয়াজান বিধান সভা সমষ্টিত কিমানটা ৰাজহ, NC, RGR/VGR আৰু বন গাঁও আছে? নাম, ঠিকনাসহ তালিকা দিব।

*Sub.* : **Regarding Unavailability of Joint Director Health Services at Chirang District.**

Shri NIRMAL KUMAR BRAHMA :

507. Will the Minister of Health & Family Welfare Department be pleased to state :

When the vacant post of Joint Director Health Services will be filled for Chirang District, BTR, Assam ?

*বিষয় ঃ* **বানপানী আৰু গৰাখহনীয়া**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৫০৮। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪-২৫ বৰ্ষত বঙাইগাঁও জিলাত গৰাখহনীয়া আৰু বানপানীত সম্পূৰ্ণৰূপে ঘৰ-বাৰী বিধ্বস্ত হোৱা পৰিয়ালৰ তালিকা দিব। গাঁও আৰু ৰাজহ চক্ৰৰ নাম উল্লেখ কৰিব।

(খ) উক্ত পৰিয়াল সমূহৰ কিমানটা পৰিয়ালে ক্ষতিপূৰণ বা চৰকাৰী অনুদান লাভ কৰিছে তাৰ তালিকা দিব।

(গ) কিমানটা পৰিয়ালে ক্ষতিপূৰণ বা চৰকাৰী অনুদান লাভ কৰা নাই, তালিকাসহ জনাব।

(ঘ) অনুদান লাভ নকৰা পৰিয়াল সমূহে কেতিয়ালৈকে অনুদান লাভ কৰিব?

*বিষয় ঃ* **গৰাখহনীয়া/গৃহহীন পৰিয়াল সম্পৰ্কে**

শ্ৰীনজৰুল হক ঃ

৫০৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত যোৱা ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত বানপানী আৰু গৰাখহনীয়াৰ কবলত কিমান ৰাস্তা-ঘাটৰ ক্ষয়-ক্ষতি আৰু যোগাযোগ বিচ্ছিন্ন হৈছে লগতে কিমানটা পৰিয়াল গৃহহীন হৈছে? (সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব)।

(খ) উক্ত ৰাস্তা-ঘাট মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু যদি পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই তাৰ কাৰণ কি? (বিতং ভাৱে সদনত জনাব)।

(গ) গৃহহীন হোৱা পৰিয়ালক পুনৰ সংস্থাপন দিয়াৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু বৰ্তমানলৈকে কিমানটা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে? (বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)।

*বিষয় ঃ* **ASTC বাছ**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৫১০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীত কিমানখন গ্ৰীন বাছ আছে বা চলাচল কৰি আছে?

(খ) গ্ৰীন বাছসমূহ যোগানৰ ঠিকা কোন প্ৰতিষ্ঠানক প্ৰদান কৰা হৈছিল? গ্ৰীন বাছ ক্ৰয়ৰ নামত ৰাজ্য চৰকাৰে কিমান টকা ব্যয় কৰিছে?

(গ) লাহৰীঘাট সমষ্টিৰ পৰা গুৱাহাটী মহানগৰলৈ ASTC ৰ অধীনত দৈনিক বাছ চলাচল নকৰাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, লাহৰীঘাটৰ পৰা দৈনিক ASTC বাছ মহানগৰলৈ চলাচলৰ ব্যৱস্থা বিভাগে কৰিব নেকি?

*বিষয় ঃ* **সমবায় সমিতি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৫১১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান সমবায় সমিতি আছে? সমষ্টি ভিত্তিত তালিকা দিব।

(খ) এই সমবায় সমিতিৰ নিয়ন্ত্ৰণ চৰকাৰৰ হাতত থাকেনে? যদি থাকে, বহু সমবায় সমিতিয়ে শ্বেয়াৰ হোল্ডাৰক অৱগত নকৰাকৈ সমবায়ৰ পুঁজিসমূহ খৰছ কৰিলে বিভাগে কিবা ব্যৱস্থা লব পাৰে নে?

(গ) পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত দেশভক্ত সমবায় সমিতিৰ ২০১৮ চনৰ পৰা বৰ্তমানলৈ বিভিন্ন শিতানৰ আয় আৰু ব্যয় কিমান? বৰ্ষ হিচাপে সদনত তথ্য দাখিল কৰিব। বৰ্তমান এই সমবায় সমিতিৰ জমা ধনৰ পৰিমাণ কিমান?

*বিষয় ঃ* **নগাঁও চিকিৎসা মহাবিদ্যালয়**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৫১২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও চিকিৎসা মহাবিদ্যালয়ত কোন কোন বিভাগৰ প্ৰবক্তা আৰু শিক্ষক আছে আৰু কোন কোন বিভাগৰ শিক্ষক নাই?

(খ) নগাঁও চিকিৎসা মহাবিদ্যালয় হস্পিটালত কি কি সা-সুবিধাৰ অভাৱ আছে আৰু সেয়া কেতিয়া পূৰণ কৰা হ'ব?

(গ) নগাঁও চিকিৎসা মহাবিদ্যালয়ক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সমান বিশিষ্ট অনুষ্ঠান হিচাপে গঢ় দিয়া হ'ব নে? যদি হয়, কিমান দিনৰ ভিতৰত কৰা হ'ব?

*বিষয় ঃ* **গ্ৰেজিং মাটিৰ চৰকাৰীকৰণ সম্পৰ্কে**

শ্ৰীভাস্কৰ শৰ্মা ঃ

৫১৩। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটা নগৰখনৰ বিভিন্ন ঠাইত গ্ৰেজিং মাটিত বিগত পঞ্চাশ দশকৰো আগৰে পৰা বহুলোকে বসবাস কৰি আহিছে যদিও সেই সমূহ মাটি চৰকাৰে চৰকাৰীকৰণ আজি পৰ্যন্ত কৰা নাই। বছৰ বছৰ ধৰি নগৰ অঞ্চলৰ ভোগ দখলত থকা তেনে গ্ৰেজিং মাটি চৰকাৰৰ ৰাজহ বিভাগে চৰকাৰীকৰণৰ ব্যৱস্থা কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে চৰকাৰীকৰণৰ নিৰ্দেশনা প্ৰদান কৰিব নেকি?

(গ) যদি চৰকাৰীকৰণৰ ব্যৱস্থা কৰা নাই, তেন্তে ভৱিষ্যতৰ দিনত ব্যৱস্থা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে নেকি?

*বিষয় ঃ* **স্বাস্থ্য কৰ্মচাৰীৰ সমস্যা**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

৫১৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমান কামৰ বাবদ সমান দৰমহাৰ দাবীত এন এইচ এম কৰ্মচাৰীসকলে আন্দোলন, দাবী, ধৰ্ণা আদি কৰি থকাটো বিভাগে লক্ষ্য কৰিছে নে? যদি কৰিছে, এই সমস্যাসমূহ সমাধান কৰিবলৈ বৰ্তমান কি কি ব্যৱস্থা লোৱা হৈছে?

(খ) ৰাজ্যৰ বিভিন্ন হস্পিতালসমূহত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক নতুবা হস্পিতাল পৰিচালনা কমিটীয়ে প্ৰয়োজনৰ তাগিদাত অস্থায়ীভাৱে নিয়োগ কৰা বহু কৰ্মচাৰীয়ে ১০ বছৰতকৈ অধিক কাল ধৰি কৰ্মৰত হৈ থকা বিষয়টো বিভাগৰ অৱগত নে? যদি অৱগত, ৰাজ্যৰ কোন হস্পিতালত কোনে, কেতিয়াৰ পৰা কৰ্মৰত হৈ আছে জনাব।

(গ) এই অস্থায়ী কৰ্মচাৰীসকলৰ জীৱন আৰু জীৱিকাৰ নিৰাপত্তাৰ বাবে এই বিভাগে কিবা পদক্ষেপ হাতত ল'ব নে?

(ঘ) লেবৰেটাৰী টেক্‌নিছিয়ান হিচাপে থকা Grade III ৰ কৰ্মীসকলক কি স্কেলত দৰমহা দি থকা হৈছে? একেই ট্ৰেইনিং পিৰিয়ডৰ ফাৰ্মাচিষ্ট, ফিজিওথেৰাপি টেক্‌নিচিয়ান আদিৰ গ্ৰেড পে কিমান? লেবৰেটৰী টেক্‌নিছিয়ানসকলক ফাৰ্মাচিষ্টৰ সমান গ্ৰেড পে দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে?

(ঙ) Grade III হিচাপে চাকৰিত যোগদান কৰা লেবৰেটাৰী টেক্‌নিছিয়ানসকলক পদোন্নতি দিয়াৰ ব্যৱস্থা স্বাস্থ্য বিভাগত নাই নেকি? যদি নাই, ইয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হ'ব নেকি? এই সংক্ৰান্তত সচিব পৰ্য্যায়ত বৰ্ণালী শৰ্মাৰ নেতৃত্বত গঠিত কমিটীৰ কাম-কাজৰ অগ্ৰগতি কি?

*Sub.* : **Guidelines for private medical and para medical institutions in Assam.**

Shri ABDUR RASHID MANDAL :

515. Will the Minister of Health & Family Welfare be pleased to state :

(a) Please furnish the guidelines for establishment of Private Medical College, Private Pharmacy College, Private Nursing School and College, Private Para Medical Institution in Assam.

(b) Please furnish the list of Private Medical College, Private Pharmacy College, Private Nursing School, Private Nursing College, Private Para Medical Institutions running in the state with due permissions from the competent authorities affiliated with competent universities, please furnish the details of competent authorities separately for permission and affiliation.

(c) Is it true that numbers of students of Assam who passed Degree or Diploma Courses in Pharmacy, Nursing etc. from Private institutions of outside of Assam are not given Licenses or Registration Certificates ? If true, why ? If not, please furnish the

list of such candidates who applied for License or Registration to the competent Authorities with date of receipt of the applications in details.

*বিষয়ঃ* **দোকানে অগ্নিকাণ্ড সংঘটিত সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৫১৬। মাননীয় Revenue & Disaster Management বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত ১৩-০৮-২০২৪ ইংরাজীতে কাছাড় জেলার কাঠিগড়া বিধানসভা সমষ্টির অন্তর্গত শালচাপড়া ২য় খণ্ডের ৫ জন ব্যক্তির যথাক্রমে উৎপল দাস, পায়েল দাস, অমিত কুমার দাস, গৌতম চন্দ্র দাস ও শান্তা রানী দাসের দোকানে অগ্নিকাণ্ড সংঘটিত হওয়ার ফলে ব্যাপক ক্ষয়ক্ষতি হয়।

(খ) এই ব্যাপারে Cachar জেলার DDMA কর্তৃক সার্ভে করে ওইসব ব্যক্তিদের ক্ষতিপূরণ পাওয়ার জন্য Compensation Sanction Letter পাঠানো হয়েছে। কিন্তু অদ্যাবধি ওইসব ব্যক্তিরা ক্ষতিপূরণের টাকা পান নি এই ব্যাপারে সরকার কী অবগত? যদি অবগত তবে সরকার কী সিদ্ধান্ত নিয়েছেন? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*Sub.* : **Ex-gratia to Bodoland movement martyrs.**

Shri CHARAN BORO :

517. Will the Minister of Revenue & Disaster Managment Department be pleased to furnish :

(a) How many martyrs of the Bodoland Movement have been officially recognized by the government ? Please provide the list.

(b) The previous state government had announced a one-time ex-gratia grant for the martyrs of the Bodoland Movement, similar to the ex-gratia granted to the martyrs of the Assam Movement. How many families of Bodoland martyrs have received the ex-gratia ? Please provide the list.

*বিষয় ঃ* **ৰেচম শিল্প**

শ্ৰীনৱ কুমাৰ দলে ঃ

৫১৮। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ৰেচম শিল্পত কোন কোন স্থানৰ কিমান সংখ্যক লোক জড়িত হৈ আছে?

(খ) এইসকলক চৰকাৰীভাৱে কোনো ধৰণৰ বিশেষ সহায় সহযোগিতা আগবঢ়োৱা হৈছে নেকি? যদি হৈছে, বিতং তথ্য দিব।

(গ) ৰেচম শিল্পত জড়িতসকলে সততে Cocoonৰ অভাৱত ভুগি আহিছে বুলি বিভাগ অৱগত নে? যদি অৱগত, তেন্তে এই অভাৱ দূৰ কৰি Cocoonৰ পৰ্য্যাপ্ত যোগান নিশ্চিত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

*বিষয় ঃ* **জলসিঞ্চন বিভাগৰ আঁচনিৰ ৰূপায়ণৰ সন্দৰ্ভত।**

শ্ৰীৰমাকান্ত দেউৰী ঃ

৫১৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা বৰ্তমানলৈ মৰিগাঁও জিলাৰ লগতে মৰিগাঁও সমষ্টিত বিভাগে কি কি নতুন আঁচনি ৰূপায়ণ কৰিছে আৰু কি কি আঁচনি বৰ্তমানে অনুমোদন লাভ কৰিছে? উক্ত আঁচনি সমূহৰ কাম কোন কোন ঠিকাদাৰৰ নামত আৱণ্টন দিয়া হৈছে আৰু বৰ্তমানে কিমান শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে তথ্য সহকাৰে জনাব।

(খ) মৰিগাঁও জিলাৰ লগতে মৰিগাঁও সমষ্টিত কিমানটা আঁচনি বৰ্তমানে অচল হৈ আছে? উক্ত আঁচনি সমূহ কাৰ্য্যক্ষম কৰাৰ ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বৰহোলা অঞ্চলত ICU যুক্ত অত্যাধুনিক হস্পিতাল, অস্থায়ী কৰ্মী সকলৰ বাবে ন্যূনতম অংশ সংযোজনৰ ব্যৱস্থা।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

৫২০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিতাবৰ বৰহোলা অঞ্চলত চিকিৎসালয় নথকাৰ বাবে বহু ৰোগী নাগালেণ্ড সীমান্তবৰ্তী অঞ্চলৰ পৰা যোৰহাটলৈ প্ৰায় ৫০-৬০ কিঃ মিঃ বাট অতিক্ৰম কৰি চিকিৎসালয়লৈ লৈ যোৱা হয়। সেয়েহে অতি শীঘ্ৰে এক ICU ৫০ খন বিছনা যুক্ত অত্যাধুনিক চিকিৎসালয় ৰাইদাং জুৰি নগাবাট অঞ্চলত অনুমোদন জনাবনে? তাত Accident Emergency, প্ৰসূতি বিভাগ স্থাপন কৰিবনে জনাব।

(খ) অসমৰ ভিতৰুৱা অঞ্চলৰ কাম কৰা অস্থায়ী কৰ্মীসকলক পৰিচালনা কমিটীৰ দ্বাৰা এটা সামান্য পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা আছে। চৰকাৰে এই ধনৰাশিৰ লগত সংযোজন কৰি এটা ন্যূনতম অংশ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **কৃষিভূমিত ১০০% জলসিঞ্চনৰ সম্পৰ্কে**

শ্ৰীঅখিল গগৈ ঃ

৫২১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন জিলাৰ, কোন ৰাজহ চক্ৰৰ অধীনত, কোন জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে বছৰৰ সকলো সময়তে পথাৰত পানী যোগান ধৰা হয়? এনেদৰে বছৰটোৰ সকলো সময়তে জলসিঞ্চনৰ ব্যৱস্থা কৰা মাটিৰ পৰিমাণ অসমৰ মুঠ খেতি মাটিৰ কিমান শতাংশ? অসমৰ মুঠ কৃষিভূমিৰ পৰিমাণ আৰু জলসিঞ্চিত মাটিৰ পৰিমাণো উল্লেখ কৰিব।

(খ) চৰকাৰী জলসিঞ্চন প্ৰচেষ্টাৰে বছৰৰ বাৰ মাহে ঋতু অনুসৰি উৎপাদন কৰা শস্যসমূহ কি কি আৰু কোন ৰাজহ চক্ৰত কিমান শস্য ২০১৬-১৭ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ উৎপাদন হৈছে? তাৰ তথ্য দিব।

(গ) অসমৰ মুঠ মাটিৰ পৰিমাণ, কৃষিভূমিৰ পৰিমাণ, ঋতু অনুসৰি বছৰৰ সকলো সময়তে খেতি কৰাৰ বাবে চৰকাৰী জলসিঞ্চনৰ সুবিধা থকা ভূমিৰ পৰিমাণ জনাব।

(ঘ) বছৰটোৰ কোনো বিশেষ ঋতুত শালি অথবা বড়ো (আহু, ইৰি আদি) খেতিৰ বাবে অসমত কেইটা জলসিঞ্চন প্ৰকল্প আছে আৰু এনেকৈ চৰকাৰী জলসিঞ্চনেৰে কৰা খেতি মাটিৰ পৰিমাণ কিমান, জনাব।

(ঙ) অসমৰ কোন ৰাজহ চক্ৰত কিমান মাটিত চৰকাৰী জলসিঞ্চনৰ দ্বাৰা উদ্যান শস্যৰ খেতি কৰা হয়?

*বিষয় ঃ* **শিপিনীসকলৰ দক্ষতা বৃদ্ধি**

ড° অমিয় কুমাৰ ভূঞা ঃ

৫২২। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিপিনীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে বিভাগীয়ভাৱে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? তেনেধৰণৰ আঁচনি বিহপুৰীয়া সমষ্টিত ৰূপায়ণ কৰি থকা হৈছে নেকি?

(খ) শিপিনীসকলৰ বাবে ব্যৱসায় ভিত্তিত আধুনিক সা-সঁজুলি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি হৈছে, তেনেহ'লে বিহপুৰীয়া সমষ্টিত কিমান শিপিনীক কি কি আধুনিক সা-সঁজুলি যোগান ধৰা হৈছে? তালিকাসহ জনাব।

(গ) সূতাৰ ৰেহাই মূল্য বৃদ্ধি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যদি কৰা হয়, এই বিত্তীয় বৰ্ষৰ পৰাই প্ৰৱৰ্তন কৰাৰ ব্যৱস্থা কৰিব নে?

*Sub.* : **R G etc.**

Shri SHERMAN ALI AHMED :

523. Will the Minister of Revenue and Disaster Management be pleased to state :

(a) In view of reply to unstarred QN 154 dated 09-02-2024, whether RG to Abul Kalam Azad of Joypur, Shahjahan Ali of Chasra No.-2, Ahammad Ali, Muslem Ali and Sagar Ali of Thekarbhita, Kurobaha are paid ? Please furnish copies of proposals of CO, Kalgachia vide No. KGC.2/09-10/2440 dated 02-02-2012 and of CO, Baghbar vide No. BBRC/RR-04/2015/478 dated 23-05-2018 and BBRC/RR-04/2015/398-400.

(b) In view of reply to unstarred QN 12 dated 28-12-2020, whether RG for 8736 families of 2019 and 2429 families of 2020 affected by flood are disbursed ? If not, why ?

(c) In view of said reply and erosion being notified as a state specific disaster and the provision in SDRF/NDRF guidelines for assistance upto 10% of SDRF fund for state specific disaster, why RG to 7552 families affected by erosion till 2020 are not yet paid ?

(d) What are the reasons for such inordinate delay ?

(e) When the same shall be paid ?

*বিষয়ঃ* **United Community Hall**

শ্ৰীজাকিৰ হুসেন লস্কৰ ঃ

৫২৪। মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) 2016-17 সালে United Fund এর অধীনে হাইলাকান্দি জেলার তিনটি সমষ্টিতে যে তিনটি Community Hall নির্মাণ করা হয়েছিল সেই তিনটি Community Hall কার তত্ত্বাবধানে বর্তমানে চলিতেছে? বিস্তারিত তথ্য প্রদান করার জন্য অনুরোধ করছি।

(খ) সেই Community Hall গুলো নির্মাণ কাজ সম্পন্ন হওয়ার পর বিভাগের হাতে হস্তান্তর করা হয়েছে কি? যদি হয়ে থাকে তাহলে তার বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

*বিষয় ঃ* **চৰকাৰী মাটি**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৫২৫। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চৰকাৰী মাটিত মুঠ কিমান পৰিয়ালে অবৈধভাৱে গৃহ নিৰ্মাণ কৰি বসতি কৰি আছে?

(খ) এই পৰিয়ালসমূহ এনে অবৈধ স্থানত থকাৰ উপৰিও বৈধভাৱে ঘৰ মাটি আছে নে নাই?

(গ) যদিহে নাই, তেখেতসকলক চৰকাৰে তেওঁলোকৰ নামত পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে?

(ঘ) তেওঁলোকক বৰ্তমানে অবৈধভাৱে দখল কৰা মাটিৰ পৰা উচ্ছেদ কৰি অন্য স্থানত সংস্থাপন দিব নেকি?

(ঙ) এই সমূহ তথ্য অনুগ্ৰহ কৰি তলৰ তালিকা অনুসৰি জিলা ভিত্তিক দাখিল কৰিব।

| ক্ৰমিক নং | জিলা | অবৈধভাৱে বসবাস কৰি থকা চৰকাৰী মাটিত গৃহ নিৰ্মাণ কৰা পৰিয়ালৰ সংখ্যা চক্ৰ বিষয়াৰ কাৰ্যালয় অনুসৰি | অবৈধভাৱে বসবাস কৰা লোকৰ বৈধভাৱে অন্য স্থানত মাটি, গৃহ আছে নে নাই |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| | | | |

| যদি আছে কিমান পৰিয়াল আছে | অন্য স্থানত গৃহ ভূমি নথকা পৰিয়াল সমূহক বৰ্তমান থকা স্থান সমূহত মাটিৰ পট্টন দিয়া হ'ব নেকি | যদি নহয় তেওঁলোকক অন্য স্থানলৈ স্থানান্তৰিত কৰি গৃহ আৰু বসতিৰ বাবে মাটিৰ পট্টন কৰা হ'ব নেকি |
|---|---|---|
| ৫ | ৬ | ৭ |
| | | |

*বিষয় ঃ* **চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কাম-কাজ আৰু খালী পদ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৫২৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানখন চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কাম-কাজ চলি আছে আৰু এই চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাল সমূহত অনুমোদিত বিভিন্ন পদৰ বিপৰীতে কি কি পদ খালী হৈ আছে? বিতংকৈ জনাব।

(খ) অসমত নতুনকৈ ক'ত ক'ত চিকিৎসা মহাবিদ্যাল হস্পিতাল নিৰ্মাণ কৰি থকা হৈছে আৰু কেতিয়া মুকলি কৰা হ'ব জনাব। নতুনকৈ আৰু ক'ত চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল নিৰ্মাণৰ পৰিকল্পনা আছে জনাব।

(গ) অসমৰ কোনকেইখন চিকিৎসা মহাবিদ্যালয় হস্পিতালত কি কি প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ বিভাগ খোলা হোৱা নাই আৰু সেইবোৰ বিভাগ কি কাৰণত খোলা নাই জনাব।

(ঘ) অসমত স্থাপন হোৱা **AIIMS** ত কি কি সুবিধা আছে আৰু কি কি সুবিধা নাই? ইয়াত অনুমোদিত বিভিন্ন পদ আৰু তাৰ বিপৰীতে খালী হৈ থকা বিভিন্ন পদৰ তথ্য দাখিল কৰিব।

(ঙ) অসমত ২০১৬ চনৰ পৰা এতিয়ালৈ মেলেৰিয়া, ডেংগী, জাপানীজ এনকেফেলাইটিছ আৰু জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত কিমান লোক আক্ৰান্ত হৈছে আৰু কিমান লোকৰ মৃত্যু হৈছে? বৰ্ষভিত্তিক আৰু জিলাভিত্তিক তথ্য দাখিল কৰিব। এই ৰোগসমূহ নিৰ্মূলৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে, কি কি শিতানত কিমান ধন ব্যয় (২০১৬ চনৰ পৰা বৰ্তমানলৈকে প্ৰতিটো ৰোগৰ বিপৰীতে) কৰা হৈছে। বিতং তথ্য দাখিল কৰিব।

(চ) অসমৰ গ্ৰামাঞ্চলত থকা চিকিৎসালয়ৰ সংখ্যা কিমান জিলাভিত্তিক তথ্য দিব। এই চিকিৎসালয় সমূহত চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ অনুমোদিত পদৰ বিপৰীতে খালী পদৰ বিতং তথ্য দাখিল কৰিব।

Assam Government press 57/25-LAQ-550-18-03-2025